অজাবি ন্যাস
AJB TRUST

# অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ সামাজিক ন্যাস
# Assam Jatiya Bidyalay Educational and Socio-Economic Trust

নুনমাটি, গুৱাহাটী - ৭৮১ ০২০
Noonmati, Guwahati - 781 020

☎ : 0361- 2654229 (Office)
e-mail : assamjatiyabidyalay@gmail.com
website : www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date :*

## জাননী

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সিদ্ধান্ত মৰ্মে ২০২০ চনৰ পৰা বলবৎ হোৱাকৈ প্ৰথম শ্ৰেণীৰ পৰা ইংৰাজী বিষয়টো অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। সেই উদ্দেশ্যে প্ৰথম শ্ৰেণীৰ ইংৰাজী বিষয়ৰ এখন পাঠ্যপুথি প্ৰস্তুত কৰা হৈছে। এই নতুন পাঠ্যপুথিখনৰ জৰিয়তে প্ৰথম শ্ৰেণীত সুকলমে পাঠদান কৰোৱাৰ উদ্দেশ্যে শিক্ষক/শিক্ষয়িত্ৰীসকলৰ বাবে এক দুদিনীয়া কৰ্মশালাৰ ব্যৱস্থা কৰা হৈছে। কৰ্মশালাৰ সবিশেষ তলত দিয়া হ'ল -

১। এই কৰ্মশালা প্ৰথম শ্ৰেণীত ইংৰাজী বিষয়ৰ পাঠদান কৰা শিক্ষক/শিক্ষয়িত্ৰীৰ বাবেহে প্ৰযোজ্য।

২। কৰ্মশালাত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহী শিক্ষক/শিক্ষয়িত্ৰীসকলে নিজ নিজ বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ জৰিয়তে আবেদন কৰিব লাগিব।

৩। এখন বিদ্যালয়ৰ পৰা এগৰাকী শিক্ষক/শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব।

৪। প্ৰথম পৰ্যায়ৰ কৰ্মশালাৰ তাৰিখসমূহ এনে ধৰণৰ—
(ক) ৯ আৰু ১০ জানুৱাৰী, ২০২০ চন
(খ) ১১ আৰু ১২ জানুৱাৰী, ২০২০ চন
(গ) ১৮ আৰু ১৯ জানুৱাৰী, ২০২০ চন

৫। আবেদন কৰা তাৰিখ অনুযায়ী ক্ৰমান্বয়ে 'ক' বা 'খ' বা 'গ' এই দিনসমূহত একাদিক্ৰমে আবেদনকাৰীক অগ্ৰাধিকাৰ দিয়া হ'ব।

৬। প্ৰতিটো কৰ্মশালাত প্ৰথম দিনটোত ১০ বজাৰ পৰা ৪ বজালৈ আৰু দ্বিতীয় দিনটোত ৯ বজাৰ পৰা ৪ বজালৈ অনুষ্ঠিত হ'ব। পঞ্জীয়নৰ সময় (প্ৰথম দিনা) : পুৱা ৯.১৫ বজাৰ পৰা ৯.৪৫ বজালৈ।

৭। প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীৰ বাবে ভৰ্তি মাচুল ৪০০ টকা।

৮। প্ৰশিক্ষাৰ্থীসকলৰ বাবে ৰাতি থকাৰ ব্যৱস্থা থাকিব। যিসকলে ৰাতি থকাৰ সুবিধা বিচাৰে তেওঁলোকে আবেদন পত্ৰৰ লগতে কোনদিনাৰ পৰা কোনদিনালৈ থকাৰ ব্যৱস্থা বিচাৰে সেইটো স্পষ্টকৈ উল্লেখ কৰিব লাগিব।

৯। আবেদন কৰাৰ শেষ তাৰিখ ৩১ ডিচেম্বৰ ২০১৯। প্ৰথমে আবেদন কৰা অংশগ্ৰহণকাৰীক অগ্ৰাধিকাৰ দিয়া হ'ব। প্ৰতিটো কৰ্মশালাত মুঠ ২৫ গৰাকী শিক্ষক/শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব।

১০। আবেদন e-mail যোগেও কৰিব পাৰিব।
বিদ্যালয়ৰ e-mail - assamjatiyabidyalay@gmail.com

১১। প্ৰশিক্ষণত অংশগ্ৰহণ কৰিবলগীয়া শিক্ষক-শিক্ষয়িত্ৰীৰ নাম অহা ৩ জানুৱাৰীত অসম জাতীয় বিদ্যালয়ৰ Website ত প্ৰকাশ পাব।

অপৰাজিতা দত্ত
সমন্বয়ক; শিক্ষক প্ৰশিক্ষণ, এজবেক
ফ'ন নম্বৰ : ৮৮৭৬৫২৫১৬১